**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

--------------------

১। অসমৰ সৈতে চুবুৰীয়া ৰাজ্যসমূহৰ দীৰ্ঘদিনীয়া সীমা বিবাদ নিষ্পত্তিৰ বিষয়ত আলোচনা অন্তিম পৰ্যায়ত।

২। ২০২২ বৰ্ষৰ পৰা চলিত বছৰলৈ ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা অবৈধভাৱে খনন আৰু সৰবৰাহ কৰা ২৫ হাজাৰ ৬৩১ টন কয়লা জব্দ।

৩। অসম আৰক্ষীৰ ২০২টা উপ-পৰিদৰ্শক পদৰ লিখিত পৰীক্ষাৰ ফলাফল আজি ঘোষণা।

৪। অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত কালি চাৰিটা ভূমিকম্পৰ জোকাৰণি।

**আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি নিউজিলেণ্ডৰ ফাইনেলত প্ৰৱেশ। ৯ মাৰ্চত ভাৰত-নিউজিলেণ্ডৰ ফাইনেল খেল।

০০০০০০

অসমৰ ৮২ হাজাৰ ৭৫২ হেক্টৰ ভূমি চুবুৰীয়া ৰাজ্যৰ দখলত আছে বুলি সীমান্ত সুৰক্ষা আৰু উন্নয়ন মন্ত্ৰী অতুল বৰাই কালি বিধানসভাত প্ৰকাশ কৰে। ৰাজ্যখনৰ সৰ্বাধিক ৫৯ হাজাৰ ৪৯০ হেক্টৰ ভূমি নাগালেণ্ডৰ দখলত আছে। একেদৰে অৰুণাচল প্ৰদেশে ১৬ হাজাৰ ১৪৪, মেঘালয়ে ৩ হাজাৰ ৪৪১ আৰু মিজোৰামে ৩ হাজাৰ ৬৭৫ হেক্টৰ ভূমি দখল কৰি আছে। মন্ত্ৰীগৰাকীয়ে কয় যে এই ভূমিসমূহ দখলমুক্ত কৰাৰ লগতে ৰাজ্যসমূহৰ সৈতে দীৰ্ঘদিনীয়া সীমা বিবাদ নিষ্পত্তি কৰাৰ বাবে আলোচনা অন্তিম পৰ্যায়ত আছে। কংগ্ৰেছৰ বিধায়ক ৰেকিবউদ্দিন আহমেদৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী শ্ৰীবৰাই কালি বিধানসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অসম-মেঘালয় আৰু অসম-অৰুণাচল প্ৰদেশৰ বুজাবুজিৰ চুক্তি মতে ভাৰতীয় জৰীপ বিভাগে বৰ্তমান ভূমি জৰীপৰ কাম কৰি আছে আৰু এই জৰীপৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতহে ভূমিৰ সম্পূৰ্ণ তথ্য পোৱা যাব। মন্ত্ৰীগৰাকীয়ে কয় যে অসম-মেঘালয়ৰ মাজত ১২টা এলেকাত সীমা বিবাদ আছে। এই ১২টা এলেকাৰ ভিতৰত প্ৰথম পৰ্যায়ত ছটা অঞ্চলৰ বাবে তিনিখনকৈ আঞ্চলিক সমিতি গঠন কৰা হৈছে আৰু দুয়োখন ৰাজ্যৰে আঞ্চলিক সমিতিসমূহে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ সৈতে আলোচনা কৰি পাৰস্পৰিক মত বিনিময়েৰে নিজ নিজ চৰকাৰক প্ৰতিবেদন দাখিল কৰিছে। সেই অনুযায়ী দুয়োখন ৰাজ্যৰ চৰকাৰৰ যুটীয়া সিদ্ধান্ত মৰ্মে আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মেঘালয়ে দাবী কৰা ছটা অঞ্চল সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছিল। অসম-অৰুণাচল প্ৰদেশৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্য

চৰকাৰে ১২খনকৈ আঞ্চলিক সমিতি গঠন কৰিছে। এই সমিতিসমূহেও প্ৰতিবেদন দাখিল কৰিছে। অৰুণাচল প্ৰদেশে দাবী কৰা ১২৩খন গাঁও সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত ইতিমধ্যে চুক্তিও সম্পাদন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

০০০০০০

অসম চৰকাৰে ২০২২ বৰ্ষৰ পৰা চলিত বছৰলৈ ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা অবৈধভাৱে খনন আৰু সৰবৰাহ কৰা ২৫ হাজাৰ ৬৩১ টন কয়লা জব্দ কৰিছে। বিধানসভাত কালি ৰাইজৰ দলৰ বিধায়ক অখিল গগৈৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই বিষয়ে প্ৰকাশ কৰে। আন এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাত ২৬৭টা এন্দুৰৰ গাঁতসদৃশ কয়লা খনি আছে বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে ২০১৪ চনত এনে ধৰণৰ কয়লা খনিত খনন নিষিদ্ধ ঘোষণা কৰিছিল। ৰাজ্য চৰকাৰে বিগত তিনি বছৰত অবৈধ খনন ৰোধ কৰিবলৈ সময়ে সময়ে ব্যৱস্থা লৈ আহিছে আৰু ইয়াৰ বাবে আৰক্ষী সঞ্চালক প্ৰধানৰ নেতৃত্বত এখন নিৰীক্ষণ সমিতি গঠন কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। ডিমা হাছাও জিলাৰ উমৰাংছ'ত যোৱা ৬ জানুৱাৰীত এনে ধৰণৰ এটা খনিত কয়লা খননৰ সময়ত ৯জন শ্ৰমিকৰ মৃত্যু হৈছিল। মৃত শ্ৰমিকসকলৰ পৰিয়ালসমূহলৈ ১০ লাখকৈ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰা হৈছে আৰু ইয়াৰে চাৰিটা পৰিয়ালক ইতিমধ্যে ধন আদায় দিয়া হৈছে মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

০০০০০০

অসম আৰক্ষীৰ ২০২টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ এটা সহকাৰী উপ নিয়ন্ত্ৰক পদৰ লিখিত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হ'ব। www.slprbassam.in ৱেবছাইটযোগে দিনৰ এঘাৰ বজাত ফলাফল উপলব্ধ হ'ব। অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে জাৰি কৰা এখন জাননী অনুসৰি প্ৰাৰ্থীসকলে সংশ্লিষ্ট ৱেবছাইটত আবেদনৰ নম্বৰ, নাম আৰু জন্মৰ তাৰিখ দাখিল কৰি ফলাফলসমূহ লাভ কৰিব। লগতে বিভিন্ন শাখাৰ উপ-পৰিদৰ্শক পদৰ লিখিত পৰীক্ষাত উত্তীৰ্ণসকলৰ বাবে ১৭ মাৰ্চৰ পৰা ২১ মাৰ্চলৈ কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ন চৌহদত পুৱা ৭ বজাৰ পৰা শাৰীৰিক মান আৰু যোগ্যতা পৰীক্ষা অনুষ্ঠিত হ'ব। লিখিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলে শাৰীৰিক মান আৰু যোগ্যতা পৰীক্ষাৰ বাবে ৯ মাৰ্চৰ দিনৰ ১১ বজাৰ পৰা সংশ্লিষ্ট ৱেবছাইটৰ পৰা প্ৰৱেশপত্ৰ ডাউনলোড কৰিব পাৰিব।

একেদৰে ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে নিজৰ ফলাফলসমূহ চাব পাৰিব। ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নৰ কনিষ্টবলৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যক কালি চাৰিটাকৈ ভূমিকম্পই জোকাৰি যায়। গুৱাহাটীৰ বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে কালি দিনৰ ১১ বাজি ৬ মিনিটত প্ৰথমটো ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ১০ ছেকেণ্ডৰ বাবে হোৱা এই ভূমিকম্পৰ ৰিখটাৰ স্কেলত প্ৰাবল্য আছিল ৫ দশমিক ৭। ভূমিকম্পটোৰ অভিকেন্দ্ৰ মণিপুৰৰ কামজং জিলাৰ উত্তৰ-পূব দিশৰ ১১০ কিলোমিটাৰ গভীৰতাত বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূকম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰে। দুপৰীয়া ১২ বাজি ২০ মিনিটত অহা দ্বিতীয়টো ভূমিকম্পৰ অভিকেন্দ্ৰ মণিপুৰৰ কামজং জিলাৰ উত্তৰ-পূব দিশৰ ৬৬ কিলোমিটাৰ গভীৰতাত আছিল। ১৭ ছেকেণ্ডৰ বাবে অনুভূত এই ভূঁইকপৰ ৰিখটাৰ স্কেলত প্ৰাব্যল আছিল ৪ দশমিক ১। বিয়লি ৩ বাজিৰ ৩৬ মিনিটত তৃতীয়টো ভূমিকম্প প্ৰায় ১৩ ছেকেণ্ডৰ বাবে অনুভূত হয়। ৰিখটাৰ স্কেলত ইয়াৰ প্ৰাবল্য আছিল ৪ দশমিক ৭। ইয়াৰ অভিকেন্দ্ৰ ম্যানমাৰৰ উত্তৰ-পূব দিশৰ ৩২ কিলোমিটাৰ গভীৰতাত বুলি জানিব পৰা গৈছে। বিয়লি ৩ বাজি ৫৪ মিনিটত চতুৰ্থটো ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত ৪ দশমিক ৫ প্ৰাবল্যৰ এই ভূমিকম্প ১০ ছেকেণ্ডৰ বাবে অনুভূত হয় আৰু ইয়াৰ অভিকেন্দ্ৰ ম্যানমাৰৰ উত্তৰ-পূব দিশৰ ১০ কিলোমিটাৰ গভীৰতাত বুলি প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে বিগত কেইটামান দিনত অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক ৭টা ভূমিকম্পই জোকাৰি যায়। ইয়াৰে তিনিটাৰ অভিকেন্দ্ৰ মণিপুৰ আৰু চাৰিটাৰ অভিকেন্দ্ৰ মেঘালয়ৰ দক্ষিণ পশ্চিম খাছী পাহাৰ জিলাত বুলি জানিব পৰা গৈছে।

০০০০০০

ৰাজ্যৰ মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰে বহুকেইখন উদ্ভাৱনীমূলক আঁচনি গ্ৰহণ কৰিছে। মহিলাৰ সবলীকৰণৰ ক্ষেত্ৰত অসম, দেশৰ বাবে অন্যতম পথ প্ৰদৰ্শক হিচাপে পৰিগণিত হৈছে আৰু চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ ভিতৰত কমেও ২৫ লাখ মহিলাক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে বুলি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰি কয়, যে তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ২৫ লাখৰো অধিক ক্ষুদ্ৰ মহিলা উদ্যোগীক অৰ্থনৈতিক সাহায্য বিতৰণ সন্দৰ্ভত পৰ্যালোচনা কৰে। এই সাহায্য বিতৰণ কাৰ্যসূচী বিহালীত আৰম্ভ হ'ব আৰু ইয়াৰ পাছত ৰাজ্যৰ অন্যান্য অঞ্চলতো এই কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০০

ড০ বিভাষ দেৱক আগৰতলাৰ মহাৰাজা বীৰ বিক্ৰম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে নিযুক্তি দিয়া হৈছে। শিলচৰৰ গুৰুচৰণ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ড০ দেৱৰ বৰাক উপত্যকাত উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁৰ নেতৃত্বতেই মহাবিদ্যালয়খনত জৈৱ প্ৰযুক্তি বিভাগ আৰম্ভ হোৱাৰ লগতে বায়োটেক হাব আৰু বায়ো ইনফৰমেটিক্স চেণ্টাৰ নিৰ্মাণ হৈছিল। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে নিযুক্তি লাভৰ পাছত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ড০ দেৱক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী

বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০০

দৰং জিলা প্ৰশাসনৰ উদ্যোগত মঙলদৈৰ বিষ্ণু মন্দিৰ প্ৰাংগণত আজি এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছে। এই সভাৰ লগত সংগতি ৰাখি পকী দলং নিৰ্মাণৰ শুভাৰম্ভ, শিক্ষকৰ বাবে আৱাসিক ভৱন নিৰ্মাণৰ আধাৰশিলা, ৫টা নৱনিৰ্মিত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধন আৰু আন ১৬টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন আদি কেইবাটাও কাৰ্যসূচী সম্পন্ন কৰা হ'ব।

০০০০০০

বঙাইগাঁও জিলা কৃষি বিভাগৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ উদ্যোগত জিলা কৃষি বিষয়া কাৰ্যালয়ৰ চৌহদত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে কৃষক মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত কৃষক প্ৰশিক্ষাৰ্থীৰ পঞ্জীয়ন, প্ৰদৰ্শনী আৰু কৃষি সামগ্ৰী বিতৰণ, ৰেচম সম্পৰ্কীয় প্ৰশিক্ষণ, উদ্যান শস্য, পশুপালন, শস্য বিজ্ঞান আদি বিষয়ক প্ৰশিক্ষণকে ধৰি কেইবাটাও কাৰ্যসূচী হাতত লোৱা হৈছে।

যোৰহাটতো কালিৰে পৰা দুদিনীয়াকৈ কৃষক মেলা অনুষ্ঠিত হৈছে। জিলাখনৰ অতিৰিক্ত আয়ুক্ত পংকজ বৰাই কালি এই মেলাখন উদ্বোধন কৰি কয়, যে অনাগত সময়ত কৃষি বিভাগৰ যিকোনো আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ কৃষক পঞ্জীয়ন বাধ্যতামূলক হ'ব পাৰে। তেওঁ জিলাখনৰ কৃষি, পশুপালন আৰু পশু চিকিৎসা, ৰেচম, মীন, কৃষক উৎপাদক কোম্পানী, কৃষক গোটকে ধৰি সকলোকে একগোট হৈ কাৰ্য ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত জিলাখনৰ ১৩ জন কৃষকক সম্বৰ্দ্ধনা জনোৱা হয়। এই মেলাত জিলাখনৰ প্ৰগতিশীল কৃষকসকলে উৎপাদন কৰা বিভিন্ন কৃষিজাত সামগ্ৰী, কৃষি সা-সঁজুলি আদি প্ৰদৰ্শন কৰা হৈছে।

০০০০০০

ভাৰত আৰু চীনৰ সামগ্ৰীত উচ্চ হাৰৰ শুল্ক, চুবুৰীয়া ৰাজ্যৰ দখলত অসমৰ প্ৰায় ৮৩ হাজাৰ হেক্টৰ ভূমি, যোৱা দুটা মাহত অসমত সঘন ভূমিকম্পৰ জোকাৰণি আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত গুৰুত্ব লাভ কৰিছে।

দৈনিক অসম কাকতে **ছিণ্ডিকেটে ধ্বংস কৰিছে ৰাজ্যৰ অৰ্থনীতি** শিৰোনামেৰে বিধানসভাত চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে গুৰুতৰ অভিযোগৰ এটা বাতৰিক আজিৰ প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। দা ছেণ্টিনেল কাকতেও এই বাতৰিক **ছিণ্ডিকেটছ আৰ ষ্টিল অপাৰেটিং ইন দা ষ্টেট** শিৰোনামেৰে আজিৰ মুখ্য বাতৰিৰ স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে ডিব্ৰু-ছৈখোৱাত বন ঘৰচীয়া ঘোঁৰাৰ সংখ্যা হ্ৰাসৰ প্ৰসংগৰে নিজাববীয়া গোচৰ ৰুজু কৰি ৰাজ্য চৰকাৰক কৈফিয়ৎ তলব সেউজ ন্যায়াধীকৰণৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**ৰাজনৈতিক মেৰপেচত বন্দী স্বৰ্গদেউ চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰ** শিৰোনামেৰে প্ৰতিষ্ঠাৰ ১৯ বছৰৰ পাছতো পূৰ্ণতা নোপোৱাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত বিগত কেইটামান দিনত সৰু-বৰ ভূমিকম্পই জোকাৰি যোৱাৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে আমাৰ অসম কাকতে এই বাতৰিক **ঘনে ঘনে জোকাৰণি** শিৰোনামেৰে বিস্তৃতভাৱে পৰিৱেশন কৰিছে।

দৈনিক জনমভূমি কাকতে **ডিটেনশ্বন কেম্পক চৰকাৰৰ ভেকো-ভাওনা আখ্যা বিধানসভাত** শিৰোনামেৰে বিৰোধী দলসমূহে, ভাৰতীয়ক ডি-ভোটাৰ সজাই বন্দী কৰি ৰখাৰ অভিযোগ কৰাৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিধানসভাত মন্ত্ৰী অতুল বৰাই কৰা এটা মন্তব্যৰ বাতৰিক অসমীয়া খবৰ কাকতে **অসমত সুৰাৰ পয়োভৰৰ বাবে জগৰীয়া কংগ্ৰেছ** শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে।

oooooo

যোৰহাটত কাইলৈৰ পৰা ঐতিহ্যমণ্ডিত ঘোঁৰা দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ১৮৭৭ চনত ইংৰাজৰ আমোলত আৰম্ভ হোৱা এই আকৰ্ষণীয় প্ৰতিযোগিতাখনৰ ১৪২ সংখ্যক সংস্কৰণৰ লগত সংগতি ৰাখি টেনিছ, গল্ফ আদি খেলো অনুষ্ঠিত কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। যোৰহাট জিমখানা ক্লাবৰ উদ্যোগত তিনিদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাত এইবাৰ ডিব্ৰুগড়ৰ এটা অশ্বাৰোহী দলে ঘোঁৰা দৌৰৰ বিভিন্ন পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব। উল্লেখযোগ্য যে এই ঘোঁৰা দৌৰৰ লগত সংলগ্ন গভনৰ্ছ কাপ হৈছে অসমৰ ৰাজ্যপালে প্ৰতিবছৰে প্ৰদান কৰা প্ৰধান বঁটা। যোৰহাটৰ ঘোঁৰা দৌৰক সম্প্ৰতি ৰাজ্যৰ অন্যতম পুৰণি ক্ৰীড়া প্ৰতিযোগিতা বুলিও গণ্য কৰা হয়। এই প্ৰতিযোগিতাৰ লগতে কাৰ ৰেলী, কুকুৰৰ প্ৰদৰ্শনী, সংগীতানুষ্ঠান আদিৰো আয়োজন কৰা হয়।

oooooo

চলিত বৰ্ষৰ খেলো ইণ্ডিয়া পেৰা গেমছ্ অহা ২০ৰ পৰা ২৭ মাৰ্চলৈ নতুন দিল্লীত অনুষ্ঠিত হ'ব। ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই কালি এই কথা সদৰি কৰি কয়, যে দ্বিতীয়বাৰলৈ হ'বলগীয়া এই প্ৰতিযোগিতাত কেইবাগৰাকীও আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ পেৰা এথলিটকে ধৰি এহেজাৰ ২৩০ গৰাকী পেৰা এথলিটে ছটা শিতানত প্ৰতিদ্বন্দ্বিতা কৰিব। ২০২৪ পেৰিছ অলিম্পিক আৰু চীনৰ হাংজৌত অনুষ্ঠিত এছিয়ান পেৰা গেমছৰ পদক বিজয়ী খেলুৱৈয়েও ইয়াত অংশগ্ৰহণ কৰিব। কাৰ্যসূচী অনুসৰি জৱাহৰলাল নেহৰু ষ্টেডিয়ামত ২১ৰ পৰা ২৬ মাৰ্চলৈ পেৰা আৰ্চাৰী, পেৰা ভাৰোত্তোলনৰ খেলসমূহ অনুষ্ঠিত হ'ব। ইপিনে, ইন্দিৰা গান্ধী ষ্টেডিয়ামত ২০ৰ পৰা ২৭ মাৰ্চলৈ পেৰা বেডমিণ্টন আৰু পেৰা টেবুল টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিভাশালী দিব্যাংগ খেলুৱৈসকলক নিজৰ খেল প্ৰদৰ্শনৰ এখন মঞ্চ প্ৰদান কৰাৰ উদ্দেশ্যে খেলো ইণ্ডিয়া পেৰা গেমছ্ অনুষ্ঠিত কৰা হয়।

oooooo

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ অহা দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আই চি চি চেম্পিয়নছ ট্ৰফীৰ ইতিহাসৰ সৰ্বাধিক ৩৬৩ ৰানৰ বিজয় লক্ষ্য বান্ধি দি নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেটৰ

বিনিময়ত ৩১২ ৰানত সীমাবদ্ধ কৰি ৰাখে। দক্ষিণ আফ্ৰিকাৰ হৈ ডেভিদ মিলাৰে অপৰাজিত ১০০, ৰেজি ভেণ্ডেৰ দাছেনে ৬৯ আৰু অধিনায়ক টেম্বা বেভুমাই ৫৬ ৰান কৰে। নিউজিলেণ্ডৰ হৈ অধিনায়ক মিটছেল চেণ্টনেৰে তিনিটা উইকেট দখল কৰাৰ লগতে মেট হেনৰী আৰু গ্ৰেণ্ড ফিলিপছে দুটাকৈ উইকেট লয়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ছটা উইকেট হেৰুৱাই ৩৬২ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ৰছিন ৰবীন্দ্ৰই সৰ্বাধিক ১০৮ ৰাণ কৰে। কেন উইলিয়ামছনে ১০২ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগী এনগিডিয়ে তিনিটা আৰু কাগিছো ৰাবাডাই ২ টা উইকেট দখল কৰে।

যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০০

ৰাজ্যৰ মিচিং জনগোষ্ঠী বসতিপ্ৰধান বিভিন্ন অঞ্চলত কালিৰে পৰা জনগোষ্ঠীটোৰ অন্যতম কৃষিভিত্তিক উৎসৱ পঃৰাগ বা নৰা-ছিগা বিহু উদ্‌যাপন কৰা হৈছে। ধেমাজি জিলাৰ জোনাইৰ অৰুণাচল সীমান্তৰ পুৰণা জেলমগাঁৱত কালিৰেপৰা তিনিদিনীয়াকৈ এই উৎসৱ অনুষ্ঠিত কৰা হৈছে। উল্লেখযোগ্য যে জনগোষ্ঠীটোৰ লোকসকলে পৰম্পৰা অনুসৰি সৃষ্টিকৰ্তা, মাতৃ, পৃথিৱী তথা পূৰ্বপুৰুষক তুষ্ট কৰাৰ বাবে এই উৎসৱ পালন কৰি আহিছে। ডেকা-গাভৰুসকলৰ নেতৃত্বত আয়োজন কৰা এই উৎসৱলৈ দূৰণিলৈ বিয়া হৈ যোৱা জীয়ৰীসকলৰ লগতে জোঁৱাইসকলকো নিমন্ত্ৰণ কৰি আদৰণি জনোৱা হয়। সকলোকে সুস্বাদু খাদ্যৰে আপ্যায়ন কৰি ডেকা-গাভৰুসকলে নৃত্য-গীত পৰিৱেশন কৰে। গাঁওখনৰ পৰা অপায়-অমংগল দূৰ কৰাৰ বাবে পৰম্পৰাগত বিশ্বাসেৰে এই পঃৰাগ উৎসৱ বা নৰা-ছিগা বিহু পালন কৰা হয়। চিলাপথাৰৰ কুলাজানৰ শীতলমাৰী গাঁৱত ১১ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ নৰা ছিগা বিহু উদযাপনৰ প্ৰস্তুতি চলিছে। এই উৎসৱৰ অংশ হিচাপে শীতলমাৰী শীৰ্ষক এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব। উল্লেখযোগ্য যে বসন্তৰ আদৰণি উৎসৱ হিচাপে মিচিং জনগোষ্ঠীৰ লোকসকলে ধৰ্মীয় পৰম্পৰা তথা কলা-সংস্কৃতিৰ সমাহাৰেৰে এই উৎসৱ পালন কৰে।

০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম আৰু অৰুণাচলৰ ঠাই বিশেষ পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি কেন্দ্ৰটোৱে লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত